## স্পষ্টীকৰণ

যোৱা ৩০ জুন, ২০১৫ তাৰিখে " দৈনিক অগ্ৰদূত" কাকতত " এজন চিপাহীয়ে চলাইছে আৰক্ষী চকী" শিৰোনামাৰে জয়ন্ত কুমাৰ ভূঞাই" অভিমত" শিতানত ব্যক্ত কৰা অভিযোগসমূহ নগাঁও আৰক্ষীৰ দৃষ্টিগোচৰ হৈছে। ভূঞাই নামপানীগাঁও আৰক্ষী পহৰা চকী তথা আৰক্ষী প্ৰশাসনৰ বিৰুদ্ধে অনা অভিযোগ সমূহ সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয় আৰু ভিত্তীহীন। এই সম্পৰ্কত নগাঁও জিলাৰ আৰক্ষী অধীক্ষকে স্পষ্ট কৰি দিছে যে এক বিশেষ পৰিস্থিতিত ১৯৮৩ চনত ৰূপহী থানাৰ অন্তৰ্গত নামপানীগাঁও আৰক্ষী পহৰা চকীটো স্থাপন কৰা হৈছিল আৰু সেইসময়ত এজন বিষয়া তথা অন্যান্য আৰক্ষী-কৰ্মচাৰীক এই আৰক্ষী পহৰা চকীত নিযুক্তি দিয়া হৈছিল। ৰূপহী থানা আৰু চামগুৰি থানাৰ পৰা মাত্ৰ দুই কিলোমিটাৰ দূৰত্বত অৱস্থিত এই পহৰা চকীটোত পৰৱৰ্তী সময়ত সমীপৱৰ্তী এলেকাৰ পৰা কোনোধৰণৰ গোচৰ পঞ্জীভূত নোহোৱাত চকীটোৰ পৰা বিষয়া পৰ্য্যায়ৰ আৰক্ষী উঠাই লোৱা হৈছিল যদিও দুগৰাকী কনিষ্টবলক পহৰা চকীটোৰ চোৱা-চিতাৰ দায়িত্ব দিয়া হৈছিল আৰু সম্প্ৰতি ইয়াৰ কাম-কাজ সমূহ ৰূপহীহাট থানাৰ পৰাই চলাই থকা হৈছে। ভূঞাঁই অভিযোগ কৰা মতে উক্ত চকীটোৰ চৌহদত মদ, জুৱা আদি কোনোধৰণৰ অসামাজিক কাৰ্য্যকলাপ চলি থকা নাই আৰু এনেধৰণৰ কাৰ্য্যকলাপৰ বিৰুদ্ধে নগাঁও আৰক্ষী সদায়েই সতৰ্ক আৰু ইয়াৰ বিৰুদ্ধে দৃঢ় পদক্ষেপ গ্ৰহণ কৰি আহিছে। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে পুৰণিগুদাম আৰক্ষী চকীও চামগুৰি থানাৰে অন্তৰ্গত আৰু নামপানীগাঁৱকে ধৰি ইয়াৰ নিকটবৰ্টী গাঁও তথা অঞ্চলসমূহো পুৰণিগুদাম আৰক্ষী পহৰা চকীৰেই অন্তৰ্গত। তদুপৰি, নামপানীগাঁও আৰক্ষী পহৰা-চকীটোৰ ৰক্ষণাবেক্ষণত কোনো ক্ৰুটি নাই আৰু বিদ্যুত মাচুলো নিয়মীয়াভাবে আদায় দি থকা হৈছে। আৰক্ষী অধীক্ষকে লগতে প্ৰকাশ কৰে যে প্ৰয়োজন হ'লে উক্ত চকীটোত আৰক্ষী বিষয়াৰ লগতে অধিক জোৱানক নিয়োজিত কৰা হ'ব। আশাকৰো, উক্ত ব্যক্তব্যখিনিয়ে চকীটোৰ সম্পৰ্কত ভূঞা তথা ৰাইজৰ ভূল ধাৰণা খিনি আঁতৰ কৰিব।

২০/৭/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

**স্পষ্টীকৰণ**

যোৱা ৯ জুলাই, ২০১৫ তাৰিখে "দৈনিক জনমভূমি" কাকতত " মৰিগাঁৱত আৰক্ষীৰ পৃষ্ঠপোষকতাত জুৱাৰ অবাধ বেহা" শীৰ্ষক বাতৰিটো মৰিগাঁও আৰক্ষীৰ দৃষ্টিগোচৰ হৈছে। বাতৰিটো সম্পূৰ্ণ মনেসজা আৰু ভিত্তিহীন। বাতৰিটোত উল্লেখ কৰা অভিযোগ সমূহৰ সম্পৰ্কত মৰিগাঁৱৰ আৰক্ষী অধীক্ষকে স্পষ্ট কৰি দিছে যে জুৱাকে ধৰি অন্যান্য অসামাজিক কাৰ্য্যকলাপৰ বিৰুদ্ধে মৰিগাঁও আৰক্ষীয়ে সদায়েই দৃঢ় পদক্ষেপ গ্ৰহণ কৰি আহিছে। মৰিগাঁও নগৰ এলেকাতো জুৱা খেল চলি থকাৰ বিষয়ে নিৰ্দিষ্টকৈ কোনো অভিযোগ মৰিগাঁও আৰক্ষী থানাই এই পৰ্যন্ত লাভ কৰা নাই যদিও এনেধৰণৰ অসামাজিক কাৰ্য্য-কলাপ চলাৰ খবৰ লাভ কৰাৰ লগে লগেই মৰিগাঁও আৰক্ষীয়ে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে। সাংবাদিকগৰাকীয়ে বাতৰিটোত এনেধৰণৰ আইনবিৰুদ্ধ কাৰ্য্যৰ লগত আৰক্ষী জড়িত থকা বুলি অনা অভিযোগ সম্পূৰ্ণ অসত্য আৰু কল্পনাপ্ৰসূত। আৰক্ষী অধীক্ষক গৰাকীয়ে জিলাখনত যি কোনোধৰণৰ অসামাজিক কাৰ্য্যকলাপৰ বিষয়ে আৰক্ষীক খবৰ দিবলৈ সাংবাদিকগৰাকীৰ লগতে ৰাইজৰ প্ৰতি আহ্বান জনোৱাৰ লগতে এইক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰিছে।

২০/৭/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী